**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত কেইবাটাও প্ৰকল্প আৰু আঁচনিৰ আধাৰশিলা স্থাপনৰ লগতে উদ্বোধন কৰিব। বেবেজীয়াৰ কমাৰটুপ, অঞ্চলৰ কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰাৰ লগতে দ্বিতীয় পৰ্যায়ৰ উত্তৰ লখিমপুৰ নগৰৰ পানীযোগান আঁচনি আৰু উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ ভূমি পূজন কৰিব। দিনৰ ভাগত মুখ্যমন্ত্ৰীগৰাকীয়ে ৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লখিমপুৰ জিলা পৰিষদৰ নতুন কাৰ্যালয় ভৱন উদ্বোধন কৰিব। জিলাখনত মুখ্যমন্ত্ৰীয়ে সৰ্বমুঠ ১১০ কোটি টকাৰ প্ৰকল্পৰ ভূমি পূজন আৰু উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীৰ লখিমপুৰ জিলাৰ এই কাৰ্যসূচীত মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্লবৰুৱা, সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানৱ ডেকা, নৱ কুমাৰ দলে, ড° অমিয় কুমাৰ ভূঞাই সংগ দিব।

০০০০০০

জনজাতীয় লোকসকলৰ উৎকৰ্ষ তথা কল্যাণ সাধনৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ৰ পৰা ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযান আৰম্ভ কৰে। অহা ৩০ জুনলৈ চলিবলগীয়া এই অভিযানৰ অধীনত জনজাতীয় লোক আৰু পৰিয়ালৰ অধিকাৰ নিশ্চিত কৰাৰ বাবে জনজাতি বসতিপ্ৰধান গাঁওসমূহলৈ গৈ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা, পি এম কিষাণ, জন-ধন একাউণ্টৰ সুবিধাকে ধৰি কল্যাণমূলক আঁচনিৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ৰাজ্যৰ ৬ হাজাৰখন জনজাতি বসতিপ্ৰধান গাঁৱক সামৰি চলিত বছৰত এই অভিযান ৰূপায়ণ কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ আগেয়ে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত ডিব্ৰুগড়ৰ দিহিং খামটি খেলপথাৰত কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰে। ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্পটো অহা বছৰৰ ছেপ্তেম্বৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰী পোষণ আঁচনিৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ দ্বাৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক পুষ্টিকৰ মধ্যাহ্ন ভোজন দিয়া হ'ব। এই আঁচনিৰ বাবে কোনো মধ্যাহ্ন ভোজনৰ আঁচনিৰ ৰান্ধনিয়ে চাকৰি হেৰুৱাব নালাগে আৰু তেওঁলোক ৰন্ধাৰ পৰিৱৰ্তে বিদ্যালয়ত খাদ্য বিতৰণৰ কামত নিয়োজিত হ'ব।

০০০০০০

শিৱসাগৰ বিধানসভাৰ এলেকাৰ বান আৰু গৰা খহনীয়া সমস্যা সমাধান কৰাৰ বাবে ২০০ কোটি টকা ব্যয় কৰা হ'ব বুলি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই ঘোষণা কৰিছে। এ ডি বি আঁচনি অনুসৰি এই ২০০ কোটি টকাৰে শিৱসাগৰ সমষ্টিৰ ২০ কিলোমিটাৰ মথাউৰিৰ লগতে ছখন শ্লুইছ গে'টৰ মেৰামতিৰ কামো কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কালি সন্ধিয়া শিৱসাগৰ জিলাৰ মামল গড়ভঙাৰ শ্লুইছ গে'ট পৰিদৰ্শন কৰি মন্ত্ৰী হাজৰিকাই এই কথা ঘোষণা কৰে। মন্ত্ৰী হাজৰিকাৰ পৰিদৰ্শন কালত জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে

আলোচনাত মিলিত হৈ ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ বানপ্ৰৱণ অঞ্চলসমূহৰ পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীৰ এই পৰিদৰ্শন কালত শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে সংগ দিয়ে।

০০০০০০

শিৱসাগৰ জিলা কৃষি বিভাগৰ উদ্যোগত আৰু কৃষিমন্ত্ৰী অতুল বৰাৰ তত্বাৱধানত ডিমৌৰ গড়ভগা বান্দৰমাৰি অঞ্চলৰ জ্যোতি কৃষি সেৱা গোটৰ সহযোগত কালি ১০ মেট্ৰিকটন কণ জহা ধান বিদেশলৈ ৰপ্তানি কৰা হয়। মন্ত্ৰী পীযুষ হাজৰিকাই পতাকা জোকাৰি ডুবাই অভিমুখে ধানৰ ৰপ্তানি কাৰ্যৰ শুভাৰম্ভ কৰে। এই ৰপ্তানিৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ বিকাশ অধিক ত্বৰান্বিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অনুষ্ঠানত থাউৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, জিলা কৃষি বিষয়াৰ লগতে সহকাৰী কৃষি সঞ্চালক উপস্থিত আছিল। চেফ এগ্ৰটেক প্ৰাইভেট লিমিটেডৰ জৰিয়তে শিৱসাগৰ জিলাৰ পৰা বছৰটোত দ্বিতীয়বাৰৰ বাবে কণজহা বিদেশলৈ ৰপ্তানি কৰা হৈছে। ইতিপূৰ্বে মাৰ্চত সম পৰিমাণৰ কণজহা জিলাখনৰ পৰা ভিয়েটনামলৈও প্ৰেৰণ কৰা হৈছিল।

০০০০০০

ছহিদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে কালি টাই-আহোম যুৱ পৰিষদ টাইপাৰ গোলাঘাট জিলা সমিতিয়ে পদ্মশ্ৰী সন্মানেৰে সন্মানিত ড০ যোগেন্দ্ৰ নাথ ফুকনক ছহিদ কুশল কোঁৱৰ বঁটা প্ৰদান কৰে। গোলাঘাট এমেচাৰ ছ'চাইটীৰ প্ৰেক্ষাগৃহত প্ৰথমবাৰৰ বাবে এই বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, ইতিহাসবিদ ড০ ফুকনে বঁটা গ্ৰহণ কৰি টাই-আহোম যুৱ পৰিষদে লোৱা পদক্ষেপক প্ৰশংসা কৰে। অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰী অতুল বৰাই ব্ৰিটিছ শাসনৰ পৰা দেশৰ লগতে অসমক মুক্ত কৰাৰ বাবে প্ৰাণ আহুতি দিয়া ছহিদগৰাকীক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ আৰু প্ৰতিষ্ঠাৰ বাবে টাইপাই এই বঁটা প্ৰদান কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে।

০০০০০০

বৰ্দ্ধিত গ্ৰীষ্ম প্ৰবাহৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলাত বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী পুনৰ কিছু সালসলনি কৰা হৈছে। আজিৰে পৰা জিলাখনত পাঠদানৰ সময় পুৱা চাৰে ৭ বজালৈ আগুৱাই অনা হৈছে। নিম্ন প্ৰাথমিক শ্ৰেণীৰ ছুটীৰ সময় দিনৰ চাৰে ১১ বজা, মজলীয়া বিদ্যালয়ৰ ছুটীৰ সময় দিনৰ ১২ বজা আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয়ৰ ছুটীৰ সময় দিনৰ চাৰে ১২ বজা ধাৰ্য কৰা হৈছে। জিলাখনৰ চৰকাৰী তথা বেচৰকাৰী বিদ্যালয়সমূহতো এই ব্যৱস্থা কাৰ্যকৰী কৰা হৈছে।

০০০০০০

যোৰহাটৰ বাহনা মহাবিদ্যালয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ স্নাতক বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত উল্লেখনীয় সফলতা লাভ কৰিছে। মহাবিদ্যালয়খনৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰতিষ্ঠা নাজিৰে বিশ্ববিদ্যালয়ৰ ভিতৰত চতুৰ্থ স্থান, পৰান মিলিয়ে পঞ্চম স্থান আৰু জিণ্টু বৰাই চতুৰ্দশ স্থান লাভ কৰিছে। পদাৰ্থ বিজ্ঞানত বৰ্নম জ্যোতি দত্তই সপ্তম স্থান আৰু ৰক্তিম ৰঞ্জন কলিতাই অষ্টম স্থান লাভ কৰিছে। গণিত বিভাগত নৱজ্যোতি নেওগে পঞ্চম স্থান লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে।

০০০০০০

সমাপ্ত